Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ-১১



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

যুঁজ

অংশ - ১


প্ৰণীতা শৰ্মা বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক-পৰিচয়





ডং মৃণাল কলিতা-

জন্ম কামৰূপ (গ্রাম্য) জিলাৰ বামুন্দীত। গল্পকাৰ ঔপন্যাসিক আৰু নিবন্ধকাৰ হিচাপে কলিতাই অসমীয়া সাহিত্যত এক সুকীয়া স্থান অধিকাৰ কৰিছে।ধীৰেন্দ্র চন্দ্র কলিতা আৰু কুসুম কলিতাৰ পুত্র মৃণাল কলিতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত প্রথম স্থান, উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত পঞ্চম স্থান লাভ কৰাৰ লগতে স্নাতক পৰীক্ষাত কটন কলেজৰ পৰা প্রথম স্থান লাভ কৰি বছৰটোৰ শ্রেষ্ঠ স্নাতকৰ সন্মান লাভ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কৰিছিল। ছাত্রাৱস্থাৰে পৰা সাহিত্যচর্চা কৰি অহা কলিতা মূলতঃ গল্পকাৰ হিচাপে অধিক পৰিচিত। তেওঁৰ গল্পৰ বিষয়বস্তুৰ বৈচিত্র্য আৰু কলা-কৌশলে পঢ়ুৱৈক মুগ্ধ কৰে। সহজ-সৰল ভাষাৰ মাজেৰে পঢ়ুৱৈয়ে তেওঁৰ গল্পত এখন সজীৱ পৃথিৱী বিচাৰি পায়। গল্পৰ দৰে উপন্যাসতো কলিতাই সমাজ জীৱনৰ নানা ছবি আৰু ব্যক্তি জীৱনৰ নানা দ্বন্দ্ব অংকন কৰিছে। 'বকুল ফুলৰ দৰে' নামৰ উপন্যাসখনৰ জৰিয়তে তেওঁ অসমীয়া সাহিত্যলৈ মূল্যৱান

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰৱঙণি যোগাইছে। এতিয়ালৈকে প্ৰকাশিত কলিতাৰ গ্ৰন্থসমূহ হৈছে- 'অনুশীলন' (গল্প), 'অযান্ত্ৰিক অনুশীলন' (গল্প), 'মৃত্যুৰ সিপাৰে' (গল্প), 'গড়ফাদাৰৰ হাত আৰু চয়তানৰ মগজু' (ভিন্নধৰ্মী ৰচনা সংকলন), 'গণিতৰ বৰ্ণিল জগত' (গণিত বিষয়ক ৰচনাৰ পুথি) আৰু 'বকুল ফুলৰ দৰে' (উপন্যাস)।

ড° মৃণাল কলিতা সম্প্ৰতি পাণ্ডু মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ৰূপে কৰ্মৰত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যুঁজ

১

একেটা ঘটনাৰ পুনৰাবৃত্তি হ'ল। এদিন দুদিনকৈ আজি কেবাদিনো। আজি প্ৰশান্তৰ বেগৰ পৰা টকা চুৰি হ'ল। প্ৰশান্তই অভিযোগ দিয়াৰ লগে লগে সিহঁতৰ শ্ৰেণী শিক্ষক মহেন্দ্ৰ মাষ্টৰ খঙত অগ্নিশৰ্মা হৈ পৰিল। হ'বই। মাথোঁ দুদিনমান আগতে তেওঁ সকলোকে সাৱধান কৰি দিছিল। খঙত তেওঁ গৰ্জি উঠিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'তহঁতক কৈছিলোঁ যে স্কুললৈ সৰহকৈ টকা নানিবি। দৰ্কাৰ নাথাকিলে নানিবিয়েই।'

'ছাৰ, দুখন বহী কিনিব লগা আছিল।' — প্ৰশান্তই কৈফিয়ৎ দিবলৈ চেষ্টা কৰিলে। তাৰ কথালৈ ভ্ৰূক্ষেপ নকৰি তেওঁ কৈ গ'ল।

'তহঁতক আৰু কৈছিলোঁ যে চোৰ যদি ধৰা পৰ, এইখন স্কুলৰ পৰা খেদা খাব লাগিব। এইখন স্কুলত চোৰৰ বাবে ঠাই নাই।'এইবাৰ তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ ফালে আগবাঢ়িল আৰু এফালৰ পৰা সকলোৰে জেপ আৰু বেগবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

সিদ্ধার্থৰ বেগটো খুলি মহেন্দ্র মাষ্টৰে তাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চাই ৰ'ল। বেগত দুখন পঞ্চাশ টকীয়া আৰু সৰু কেইখনমান নোট। প্রশান্তৰো দুখন পঞ্চাশ টকীয়া নোট হেৰাইছে। 'মোৰ নিজৰ, মায়ে দিছে।' 'ফাকি মাৰিবলৈ আহিছ?' মহেন্দ্র মাষ্টৰ গর্জি উঠিল। 'পৃথিৱীত পঞ্চাশটকীয়া নোট কি মাত্র দুখনেই?'- মহেন্দ্র মাষ্টৰৰ চকুৰ ফালে চাই সিদ্ধার্থ প্রায় চিঞৰি উঠিল। খণ্ডত সি কঁপিবলৈ ধৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সকলো হতভম্ব হৈ গ'ল। সিহঁতৰ শ্রেণীত শিক্ষকক আজিলৈ কোনেও এনেধৰণে ব্যৱহাৰ কৰি পোৱা নাই। মহেন্দ্র মাষ্টৰৰ দৰে কড়া শিক্ষকৰ চকুৰ ফালে চাই এনেধৰণে কথা কোৱাৰটো প্রশ্নই নুঠে। গোটেই শ্রেণীকোঠা কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। মাষ্টৰে কোনোমতে নিজকে চম্ভালি লৈ শান্ত কিন্তু দৃঢ়ভাবে ক'লে- ' ঠিক আছে। কিন্তু যিদিনাই প্রমাণসহ ধৰা পৰ সিদিনাই এইখন স্কুলত তোৰ শেষ দিন জানিবি।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২

ইচ্ছা কৰিয়েই নিৰ্মল অলপ পলমকৈ স্কুলৰ গেটৰ বাহিৰ ওলাল। কিবা এটা কৌতূহল আৰু সন্দেহৰ বশবৰ্তী হৈ সি পাণদোকানখনলৈ আগবাঢ়িল। অনুমান কৰামতেই সি দূৰৰ পৰাই সিদ্ধাৰ্থক পাণদোকানখনত দেখা পালে। নিৰ্মলে তাক এই দোকানখনত প্ৰায়েই দেখা পায়। দুই-এদিন দোকানৰ আঁৰত লুকাই সিদ্ধাৰ্থক চিগাৰেট টানি থকাও সি দেখা পাইছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰথমতে দেখি সি হতভম্ব হৈ গৈছিল। সিহঁতৰ দৰে ইমান সৰু ল'ৰাক নিৰ্মলে চিগাৰেট খোৱা আগতে দেখা নাই।

এই দোকানীজনক নিৰ্মলৰ কিবা ভাল নালাগে। দোকানলৈ যোৱা ল'ৰা-ছোৱালীবোৰক তেওঁ খুব মন দি নিৰীক্ষণ কৰে যেন লাগে তাৰ। নিৰ্মলকো দোকানীজনে কেইবাদিনো লক্ষ্য কৰাৰ পিছত এদিন তাৰ ঘৰৰ কথা সুধিছিল। তাৰ মাক-বাপেক, ভনীয়েকৰ বিষয়ে সোধা কথাবোৰত সি অকণো আন্তৰিকতা বিচাৰি পোৱা নাছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰৱং আনৰ ঘৰৰ কথা জনাৰ অতিৰিক্ত আগ্রহে নির্মলৰ চকুত মানুহজনক এক ৰহস্যময় চৰিত্র কৰি তুলিছিল। পৰাপক্ষত সি এই দোকানখনলৈ নাযায় আজিকালি। এই দোকানীজনৰ লগত সিদ্ধার্থৰনো কি ইমান কথা পাতিব লগা থাকে। সেই কথা নির্মলে কোনোদিনে সোধা নাই। হয়তো সিদ্ধার্থৰ বেপৰোৱা স্বভাৱৰ বাবেই আনসকলৰ দৰে নির্মলেও তাক এৰাই চলিবলৈ আৰম্ভ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু সিদ্ধার্থ আগতে এনেকুৱা নাছিল। সি সিহঁতৰ লগত হাঁহিছিল, খেলিছিল। আজি কেইমাহমানৰ পৰা সি গহীন, খিংখিঙীয়া আৰু বেপৰোৱা হৈ পৰিছে, বন্ধুসকলৰ পৰা আঁতৰি শ্রেণীত পিছফালে বহিবলৈ লৈছে, শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কাম প্রায়েই নকৰে, আনকি মাজে মাজে স্কুলো খতি কৰিবলৈ লৈছে। নির্মলে সিদ্ধার্থৰ মাক-দেউতাকৰ বিষয়ে কিছুমান কথা ইকাণ-সিকাণকৈ শুনিবলৈ পাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাবিছিল তাৰ এই পৰিবৰ্তনো চাগে সেইবোৰ কাৰণতে হৈছে। হয়তো সেই কথা সঁচাও। কিন্তু এই ৰহস্যময় দোকানখনত তাৰ সঘন উপস্থিতিয়ে যেন নিৰ্মলক এক দুৰ্বোধ্য সাঁথৰৰ মাজলৈ টানি লৈ গ'ল। এই সাঁথৰৰ সমাধান, এই ৰহস্যৰ উদ্‌ঘাটন কৰিব লাগিব। এটা ৰহস্যৰ পকনীয়াত আপোন বন্ধু এজনক হেৰাই যাবলৈ দিব নোৱাৰি। অকলে পঢ়াত ভাল হোৱাত, আচল সুখ নাথাকে। নিৰ্মল দোকানখনৰ ফালে আগবাঢ়ি গ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কি লাগে?' — দোকানীজনৰ কণ্ঠস্বৰত ফুটি উঠা বিৰক্তিৰ সুৰটো নির্মলৰ চিনিবলৈ টান নহ'ল। 'সিদ্ধার্থক লাগে।' — নির্মলেও বেপৰোৱাভাৱে উত্তৰ দিলে। এইবাৰ সি সিদ্ধার্থৰ ফালে চাই - প্রায় কর্তৃত্বৰ সুৰত ক'লে—

'তোৰ লগত মোৰ কথা আছে।'

হয়তো দায়িত্ববোধে কর্তৃত্বও প্রদান কৰে। সেই কর্তৃত্বৰ পৰা উৎসাৰিত নির্দেশত যেন সিদ্ধার্থৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৰে গুৰু গোসাঁই নমনা ল'ৰাজনো দুৰ্বল হৈ পৰিল। নিৰ্মলৰ পিছে পিছে সি খোজ ল'লে। দোকানখনৰ পৰা কিছু দূৰত নিৰ্মল ৰ'ল। কোনো পাতনি নেমেলাকৈ নিৰ্মলে তাক পোনপটীয়াকৈ প্ৰশ্ন কৰিলে।

'প্ৰশান্তৰ পৰা টকা কিয় চুৰ কৰিলি?'

'তহঁত সকলোৱে মোকেই কিয় সন্দেহ কৰ?' সিদ্ধাৰ্থই নিজেও বুজি পালে তাৰ কথাত জোৰ কমি গৈছে, আত্মবিশ্বাসৰ চিনো তাত নাই। তথাপি সি শেষ চেষ্টা এটা কৰি চালে— 'মই চুৰ কৰা নাই।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'মোৰ চকুৰ ফালে চাই ক।'—নির্মলৰ কথাৰ সুৰত নিজে নজনাকৈয়ে যেন হঠাতে কোমলতা এসোপা মিহলি হৈ গ'ল।

'তোৰ চকুৰ ফালে চাব নোৱাৰিব লগা কি আছে।'- তলমূৰকৈ সিদ্ধার্থই ক'লে।

কেইটিমান মুহূর্ত অস্বস্তিকৰ নীৰৱতাৰে পাৰ হৈ গ'ল। নির্মলে দেখিলে মহেন্দ্র মাষ্টৰৰ চকুত চকু থৈ ভেকাহি মাৰি উঠা উদগু বেপৰোৱা ল'ৰাজন যেন তাৰ সন্মুখত নিষ্প্রভ হৈ পৰিছে। ওলমি দিলে কোনোমতে। সি শুনিবলৈ পালে নির্মলৰ কণ্ঠস্বৰ।

'তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধার্থ!'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪

সিদ্ধাৰ্থ প্ৰায় এসপ্তাহ বিদ্যালয়লৈ যোৱা নাই। যাবলৈ তাৰ সাহস হোৱা নাই। নিৰ্মলৰ কথাষাৰ তাৰ যন্ত্ৰণাদগ্ধ বুকুৰ মাজত বাজি শান্তিৰ সংগীত হৈ ৰৈছে।

'তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ!'

এইষাৰ কথা ক'ব পৰা মানুহবোৰেই সিদ্ধাৰ্থৰ জীৱনৰ পৰা বহু দূৰলৈ গুচি গ'ল। নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে। কাৰ ওপৰত এই অভিমান সিদ্ধাৰ্থই যেন নিজেও বুজি নাপায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মহেন্দ্ৰ মাষ্টৰৰ কৰ্কশ কঠোৰ বাক্যবাণৰ মুখামুখি হোৱা যেন সহজ-তাৰ দৰে বেপৰোৱা উদণ্ড ল'ৰা এজনৰ বাবে চকুত চকু থৈ সেই আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াও সহজ; কিন্তু নিৰ্মলিৰ দৰে ল'ৰাৰ মুখামুখি হোৱা সহজ নহয়। তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি অস্বস্তিকৰ মৌনতাৰ মাজত মাথোঁ ছটফটাইহে ৰ'ব পাৰি।

নিৰ্মলৰ মুখামুখি হ'বলৈ সিদ্ধাৰ্থক অলপ মানসিক প্ৰস্তুতিৰ দৰকাৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নির্মলৰ সৈতে মুখামুখি হোৱাৰ ভয় নে নির্মলৰ কথাবোৰে অনা প্ৰৱল প্ৰতিৰোধ সিদ্ধাৰ্থই বুজি নাপায়। সি এসপ্তাহ পাণ দোকানখনলৈ যাব পৰা নাই। হয়তো সেইবাবেই পুৰণি বিষাদৰ পোৰণিবোৰ বাঢ়িছে, অস্থিৰতাও বাঢ়িছে; কিবা এক অনিশ্চয়তা আৰু ভীতিৰ ভাবে প্ৰবল ৰূপ লৈ তাক যেন গ্ৰাস কৰিবলৈ খেদি আহিছে বাৰে বাৰে। সিদ্ধাৰ্থই মন কৰিলে তাৰ হাত-ভৰিৰ কঁপনিবোৰ বাঢ়িছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাণদোকানীজন, নির্মল আৰু যিবোৰ মানুহ তাৰ আপোন আছিল, আপোন হৈ থাকিব লাগিছিল। সেইসকলৰ ভিন্নমুখী টনা-আজোৰা আৰু স্মৃতিৰ অসহনীয় ভৰত বিছনাত ছটফটাই থাকে সি। অকলশৰে। ঘৰটোৰ মৃত্যুশীতল নির্জনতাত ডুবি থাকে সি। তাৰ বুকুৰ মাজত সঞ্চিত কেইটামান শব্দই যেন চৌচিৰা কৰি পেলায় তাৰ নিজৰ নিঃসংগ নির্জন জগতখন—
'তোৰ কি হৈছে, মোক ক'বই লাগিব সিদ্ধার্থ।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৫

শ্ৰেণীকোঠাত সোমায়েই মহেন্দ্ৰ মাষ্টৰে ছাত্ৰ-ছাত্ৰীসকলৰ মুখবোৰত চকু ফুৰালে। তাৰ পিছত যেন এটা সন্তুষ্টিৰ হাঁহি মাৰি তেওঁ ক'লে-'এই বজ্জাতটো আজিও স্কুললৈ অহা নাই। চোৰ ধৰা পৰি এতিয়া লাজতে আহিব নোৱৰা হৈছে।' নিৰ্মলৰ মনটো যেন সেমেকি গ'ল। কিবা এটা ক'বলৈ ওলায়ো সি ৰৈ গ'ল। মানুহে দেখা ঘৃণনীয় সত্যৰ আঁৰতো হয়তো কেতিয়াবা লুকাই থাকে আন কিছুমান কৰুণ সত্য। সেইবোৰকে সি বিচাৰি ফুৰিছে। সেইবোৰ সি বিচাৰি উলিয়াবই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৬

কোঠাটোৰ ভিতৰত আন্ধাৰে জুম বান্ধিছে। বিছনাৰ পৰা উঠি গৈ লাইটটো জ্বলাবলৈ সিদ্ধাৰ্থৰ মন যোৱা নাই। মাক সম্ভৱতঃ এতিয়াও ঘৰ পোৱাহি নাই। আজি অতদিনে সি স্কুললৈ যোৱা নাই, তাকে লৈ মাকৰ কোনো উদ্বিগ্নতা নাই। মাথোঁ এদিনেই সুধিছিল-'স্কুললৈ নাযাৰ?' সি গা বেয়া বুলি কৈ সামৰি থৈছিল। তাৰ উত্তৰত মাক ইমান সহজেই আশ্বস্ত হৈছিল যে তাৰ পিছত আৰু এদিনো তাক একো নুসুধিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নাই, নাই, তাৰ অভিমান হোৱা নাই। যিবোৰ আঘাত আৰু দুখ প্ৰাত্যহিক হৈ পৰে, সেইবোৰে হয়তো মানুহক অভিমানী কৰিব পৰাৰ ক্ষমতাও হেৰুৱাই পেলায়।

দেউতাকে সিহঁতক এৰি যোৱাৰ দুবছৰেই হ'ল কিজানি। বুজা হোৱা বয়সৰ পৰাই সি দেখিছিল তাৰ মাক-বাপেকৰ মাজৰ দুৰ্বাদল কাজিয়া। প্ৰচণ্ড চিঞৰ-বাখৰ, উফৰি অহা তীক্ষ্ণ গালি-গালাজৰ শ্বাসৰুদ্ধকৰ সময়খিনিত সি নিৰ্বাক হৈ চাই ৰৈছিল মাক-বাপেকৰ প্ৰস্তৰ কঠিন মুখ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দুখন। মাক নে বাপেক কাৰ পক্ষ ল'ব সি-সেই নিদাৰুণ প্ৰশ্নৰ আঘাতত অবিৰত ৰক্তক্ষৰণ হৈছিল তাৰ কোমল বুকুৰ ভিতৰখনত। উজাগৰ ৰাতিবোৰত তাৰ চকুৰ পানীবোৰ চকুতে শুকাইছিল-সেইবোৰ মচি দিব পৰাকৈ তাৰ মাকৰ হাতদুখনৰ কোমলতাখিনি যেন ক'ৰবাত হেৰাই গৈছিল। বাপেকৰো।

আৰু এদিন বাপেকে সিহঁতক এই ঘৰটোত এৰি থৈ ক'ৰবালৈ গুচি গৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মাক-বাপেকৰ মাজত কি এনে এক প্ৰচণ্ড, অমোঘ, অমীমাংসিত প্ৰশ্ন আহি পৰিছিল, যি প্ৰশ্নই তেওঁলোকৰ নিজৰ সন্তানকো দুখ-যন্ত্ৰণাৰ অতল আৰু পাৰাপাৰহীন সাগৰত নিক্ষেপ কৰাৰ পৰা বাৰণ কৰিব পৰা নাছিল?

আহিছিল। সপ্তাহ-পযেকৰ মূৰে মূৰে দেউতাকে তাক স্কুল ছুটীৰ পিছত আহি লগ ধৰিছিল। দেউতাকে তালৈ বিধে বিধে চ'কলেট লৈ আহিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ঘৰলৈ আহি যেতিয়া সি চ'কলেটত কামোৰ দিছিল, চ'কলেটৰ স্বাদ তাৰ জিভাত লগাৰ আগতেই দুচকু ভৰি পৰিছিল পানীৰে; অবাধ্য চকুপানীবোৰ সৰসৰকৈ সৰি পৰিছিল।

মাক-বাপেকৰ কি সেই অমীমাংসিত প্ৰশ্ন, যি আছিল তাৰ চকুপানীবোৰতকৈও গধুৰ।

খুব সোনকালেই বাপেকে অনা চ'কলেটৰ সাঁচি ৰখা কাগজবোৰেৰে ভৰি পৰিছিল সিদ্ধাৰ্থৰ এটা ডাঙৰ পেঞ্চিল বক্স।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তাতকৈও সোনকালে ভৰি পৰিছিল তাৰ বুকুখন-অসহনীয় শূন্যতাৰে। হাঁহিব নোৱাৰি, খেলিব নোৱাৰি, শুব নোৱাৰি-ইমানেই তীব্ৰ সেই শূন্যতাৰ ভাৰ, দুখৰ দাহন। আৰু এদিন সি দেউতাকক কৈছিল-'তুমি আৰু মোক লগ ধৰিবলৈ নাহিবা।' দেউতাকৰ মুখলৈ সি চোৱা নাছিল, তাৰ ভয় হৈছিল-দেউতাকৰ চকুৰ কোণত জমিবলৈ ধৰা চকুপানীবোৰে তাকো আমনি কৰে বুলি। 'কিন্তু কিয়?' দেউতাকৰ প্ৰশ্নৰ উত্তৰ সি দিয়া নাছিল। দেউতাককো সি কোনোদিনে সোধা নাছিল-কিয় এৰি গৈছিল তাক!

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৭

কথাবোৰ ক'ৰ পৰা ক'ত পালেগৈ সেইবোৰত সিদ্ধার্থৰ যেন নিয়ন্ত্রণ নাছিল। ব'ঠা নাইকিয়া নাও এখনত যেন সি উটি-ভাঁহি ফুৰিছিল। নৈৰ সোঁত আৰু ধুমুহাই নাওখন য'লৈকে নিয়ে সেয়াই যেন হৈ পৰিছিল তাৰ গন্তব্য।

আছে, সকলো মনত আছে তাৰ। ঘৰত তাৰ ভাল নলগা হৈ আহিছিল। স্কুল ছুটীৰ পিছত অনাই-বনাই ঘুৰি ফুৰি পলমকৈ ঘৰ চাপিছিল। মাকৰ তাৰ প্রতি মনোযোগ কমি গৈছিল। কেতিয়াবা মাকে কিবা প্রশ্ন কৰিলেও সি হৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পৰিছিল বেপৰোৱাভাবে আক্রমণাত্মক। হয়তো মাকৰ বিৰুদ্ধেও আছিল তাৰ তীব্র আক্রোশ। পাবলগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্রোহী অথচ কৰুণ চৰিত্র। সকলো অৱলম্বন হেৰুৱাই সি বিচাৰিছিল এটা অৱলম্বন, নিৰাশ্রয় হৈ বিচাৰিছিল কাৰোবাৰ সামান্য স্নেহৰ ছায়া, ডুবন্ত মানুহৰ দৰে দুহাত মেলি সি বিচাৰি ফুৰিছিল সামান্য এডাল খেৰকুটা।

তেনে সময়তে সিদ্ধার্থই লগ পাইছিল এই পাণদোকানীজনক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁৰ সৈতে কথা পাতি পাৰ কৰিছিল সি বহু সময়। দোকানীজনৰ সামান্য স্নেহস্পর্শত উথলি উঠিছিল তাৰ বুকুখন। বুকু উজাৰ কৰি সি কৈ গৈছিল তাৰ দুখৰ কাহিনী। আৰু এদিন দোকানীজনে তাৰ হাতত তুলি দিছিল এটা চিগাৰেট। প্ৰথমতে সি খাব খোজা নাছিল। মানুহজনে তাক প্ৰলুব্ধ কৰিছিল-'খাই চোৱাচোন, দেখিবা তোমাৰ দুখ বহুত কমি গৈছে, মনটো বহুত ভাল লাগি গৈছে।'কম্পিত আঙুলিৰ ফাকত চিগাৰেটডাল লৈ সি মনৰ মাজত বিচাৰি ফুৰিছিল এনে এখন মুখৰ ছবি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যিখন দেখিলে সি অনায়াসে পেলাই দিব পাৰে সেই চিগাৰেটডাল। সি বিচাৰি পোৱা নাছিল। চিগাৰেটডাল শেষ হোৱাৰ অলপ সময় পিছতে সি অনুভৱ কৰিছিল তাৰ দেহৰ ভিতৰেদি বাগৰি ফুৰিছে এটা উল্লাসৰ ঢৌ-সেই ঢৌবোৰে উটুৱাই লৈ গৈছে তাৰ দুখৰ ভাৰ! কোনোদিনে অনুভৱ নকৰা এটা প্ৰশান্তিৰ ভাবত আচ্ছন্ন হৈ পৰিছিল তাৰ দেহ-মন।

বহুদিন পিছত সেইদিনা ৰাতি তাৰ দীঘলীয়া আৰু গভীৰ টোপনি হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পিছদিনা ৰাতিপুৱা সাৰ পাই উঠাৰ কেইঘণ্টামান পিছত সি ভীষণভাবে অস্থিৰ হৈ উঠিছিল। পুৰণি দুখ-যন্ত্ৰণাবোৰে এইবাৰ যেন আগতকৈও বেছি তীব্ৰভাবে যাতনা দিবলৈ আৰম্ভ কৰিছিল। দ্বিতীয় এটা চিগাৰেটৰ বাবে সি পাগলৰ দৰে হৈ পৰিছিল আৰু উপস্থিত হৈছিলগৈ পাণদোকানৰ সন্মুখত। দোকানীজনে তাৰ ফালে চাই মিচিকিয়াই হাঁহিছিল। হাঁহিটো তাৰ ভাল লগা নাছিল; কিন্তু সেই হাঁহিটোক ঘৃণা কৰিবলৈ সাহস দিবলৈ তাৰ কান্ধত নাছিল স্নেহময় হাতৰ স্পৰ্শ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

খুব সোনকালেই সিদ্ধার্থই বুজি পাইছিল ছিগাৰেটবোৰত ধপাতৰ লগত মিহলি হৈ আছে নিষিদ্ধ ড্রাগছ। ইতিমধ্যে সি নিচাসক্ত হৈ পৰিছিল। এদিন দোকানীজনে তাক কৈছিল— 'এইবোৰৰ বহুত দাম। অনাবো ৰিস্ক আছে, পুলিচৰ ঝামেলা আছে। এতিয়াৰে পৰা পইচা দিবা, বস্তু ল'বা।'এদিন মাকে গা ধুবলৈ বাথৰুমত সোমাওঁতে সি চুৰ কৰিছিল মাকে খুলি থোৱা খাৰুযোৰ। যি সময়ত সি সোণৰ খাৰুযোৰ পাণদোকানীজনৰ হাতত তুলি দিছিল, সেই সময়তে পুলিচে সিহঁতৰ ঘৰৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কাম কৰা ছোৱালীজনীক বান্ধি নি লকআপত ভৰাইছিল।

অন্তৰ্দ্বন্দ্ব হৈছিল তাৰ। ভাল-বেয়া, ভুল-শুদ্ধ, কাম কৰা ছোৱালীজনীৰ কৰুণ মুখখন আৰু নিচাৰ প্ৰতি তীব্ৰ আসক্তি-এই সকলোবোৰৰ টনা-আজোৰাৰ মাজেৰে এটা বিনিদ্ৰ ৰাতি পাৰ কৰি এসময়ত সি অনুভৱ কৰিছিল-তাৰ ভিতৰৰ মানুহটোৰ ইতিমধ্যে মৃত্যু হৈছে। আজি-কালি সেইবোৰ সি একো নাভাবে। মাকে দিয়া হাত খৰচ, মাকে অসাৱধানতাৰে অ'ত

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ত'ত ৰখা টকাবোৰ সকলোবোৰ সি তুলি দিয়ে দোকানীজনৰ হাতত। মাজে মাজে সি খুচৰিব লগা হৈছে সহপাঠীসকলৰ বেগবোৰ

আন্ধাৰৰ মাজত খেপিয়াই গাৰুৰ কাষতে ৰখা পেঞ্চিল বক্সটো হাতত তুলি ল'লে সি। এইটো পেঞ্চিল বক্সতে এসময়ত সি বৰ হেঁপাহেৰে দেউতাকে দিয়া চকলেটৰ কাগজবোৰ সাঁচি ৰাখিছিল। বক্সটো খুলি ভিতৰখন চুই চালে সি- ছিগাৰেট, গুড়ি টেবলেট সকলোবোৰ প্ৰায় শেষ হৈ গ'ল। বহুদিন সি পাণদোকানখনলৈ যোৱা নাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

স্কুললৈ সদ্যহতে যোৱাৰ কথা ভাবিব পৰা নাই। কাইলৈ পাণদোকানখনলৈ এবাৰ—'তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ।'

আন্ধাৰৰ বুকুৰ তলিৰ পৰা হঠাৎ যেন ওপৰলৈ উঠি আহিব খোজে নিৰ্মলৰ মাতষাৰ। সিদ্ধাৰ্থই বিছনাত শোৱাৰ পৰাই দেখিলে আন্ধাৰ কোঠাটোৰ ভিতৰত এটা কণমানি জোনাকী পৰুৱা। হয়তো সিদ্ধাৰ্থই নজনাকৈয়ে খোলা আছিল কোনোবা এখন খিৰিকি। হয়তো সেইফালেদিয়েই জোনাকী পৰুৱাটো সোমাই যেনি-তেনি উৰি অ'ত-ত'ত পোহৰাই ডাঠ আন্ধাৰৰ মাজত গঢ়িব লাগিছে এটা-দুটাকৈ পোহৰৰ অজস্ৰ বিন্দু!

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। সিদ্ধার্থহঁতৰ শ্ৰেণী শিক্ষকজনৰ নাম কি আছিল ?

(ক) নিৰ্মল মাষ্টৰ

(খ) মহেন্দ্ৰ মাষ্টৰ

গ) মৃণাল মাষ্টৰ

ঘ) প্ৰশান্ত মাষ্টৰ

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। বকুল ফুলৰ দৰে উপন্যাসখনৰ প্ৰণেতাঃ

(ক) সত্যনাথ বৰা

(খ) ডঁ মৃণাল কলিতা

গ) ডঁ ভূপেন হাজৰিকা

ঘ) অতুল চন্দ্ৰ হাজৰিকা